জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪২৯/২০২০

# বিশিষ্ট সাংবাদিক গুণ বৰুৱাৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১৬ জুন ঃ** বিশিষ্ট সাংবাদিক গুণ বৰুৱাৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত গুণ বৰুৱাই ৰাজ্যখনৰ সংবাদ জগতলৈ যি সেৱা আগবঢ়াই গ'ল সেয়া অসমৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। সুদীৰ্ঘ সময় ধৰি সংবাদ সেৱাৰ লগত জড়িত প্ৰয়াত বৰুৱাই ৰাজ্যখনৰ বিদ্যায়তনিক দিশলৈও অৰিহণা আগবঢ়াই গৈছে। তদুপৰি, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত থাকি তেখেতে সমাজ জীৱনলৈও অৰিহণা আগবঢ়াই গৈছে। এইগৰাকী সাংবাদিক, শিক্ষাবিদৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত গুণ বৰুৱাৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**বঃভাঃ / পুঃডেঃ**
**১৬/০৬/২০২০**